

১১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ শব্দকোষ কি?

প্ৰশ্ন ২ ঃ ভাষা দক্ষতা মানে কি?

প্ৰশ্ন ৩ ঃ নাও বাবলৈ কিহৰ প্ৰয়োজন?

(খ) চুটি প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ সমাৰ্থক শব্দৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ বিপৰীত শব্দৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ভাষা দক্ষতা কি?

প্ৰশ্ন ২ ঃ আপোনাৰ চহৰত হোৱা গ্ৰন্থ মেলা এখনৰ উন্মোচনী সভাৰ বিষয়ে এক প্ৰতিবেদন যুগুত কৰক।

প্ৰশ্ন ৩ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ সম্ভাৱনাৰ বিষয়ে এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ১২ ঃ সংবাদ মাধ্যমৰ বাবে লিখাৰ উৎস

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ উৎসৰ প্ৰকাৰ
১২.৪ বাতৰি উৎসৰ বিকাশ
১২.৫ নীতিগত দিশ আৰু আৰোপিত বৈশিষ্ট্য
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংবাদ মাধ্যমত লিখাৰ বাবে বিভিন্ন প্ৰকাৰৰ উৎসসমূহৰ এক বিভাজন কৰিব পাৰিব
- বাতৰি এটা লিখাৰ বাবে উৎসসমূহ কেনেদৰে সৃষ্টি আৰু বিকাশ কৰিব পৰা যায়, তাৰ এটা ধাৰণা পাব।

১২.২ পৰিচয়

এতিয়ালৈকে আপোনালোক 'বাতৰি'নো কি হয় আৰু ইয়াৰ বিভিন্ন উপাদানসমূহ কি কি সেয়া বুজি পালে। পৰৱৰ্তী দুটামান অধ্যায়ত আমি ৰেডিঅ', দূৰদৰ্শন আদি বিভিন্ন মাধ্যমৰ বাবে কেনেদৰেনো লিখা হয় সেয়া আলোচনা কৰিম। কিন্তু তাৰ পূৰ্বে সংবাদ মাধ্যমৰ বাতৰিৰ বিভিন্ন উৎসৰ বিষয়ে জানি ল'ব লাগিব। সাধাৰণ অৰ্থত উৎস বুলিলে এজন ব্যক্তি, অনুষ্ঠান, নথি পত্ৰ, ৰেকৰ্ড, প্ৰকাশন এনে সকলোখিনিকে বুজা যায় য'ৰ পৰা বাতৰি এটাৰ বাবে প্ৰয়োজনীয় তথ্যখিনি লাভ কৰিব পৰা যায়।

এজন সাংবাদিক হিচাপে আপোনাৰ দায়িত্ব হৈছে তথ্য গোটাই বাতৰি এটা যুগুত কৰা। প্ৰতিটো মূহুৰ্ততে বাতৰি হ'ব পৰাকৈ আপোনাৰ চহৰ, ৰাজ্য, দেশ- সকলোতে একেটা সময়তে বিভিন্ন ঘটনা ঘটি আছে। কিন্তু ব্যক্তিগতভাৱে আপুনি এই সকলো ঘটনাৰে সাক্ষী হ'ব নোৱাৰে। এনে অৱস্থাত কেতিয়াবা আপুনি আপোনাৰ বাতৰিটোৰ বাবে বিভিন্ন উৎসৰ পৰা তথ্য গোটোৱাটো প্ৰয়োজনীয় হৈ পৰে। কেতিয়াবা আকৌ এটা নতুন বাতৰিৰ সম্পূৰ্ণ তথ্য আপুনি আপোনাৰ

উৎসৰ পৰা লাভ কৰে। এনে ক্ষেত্ৰত সম্ভৱপৰ সকলো দৃষ্টিকোণৰ পৰা বাতৰিটো যুগুত কৰিবলৈ আপোনাক বহুকেইটা তথ্যৰ প্ৰয়োজনা হ'ব। কোনো ব্যক্তি, অনুষ্ঠান অথবা অন্যান্য প্ৰকাশিত নথি-পত্ৰ— এই যিবোৰৰ পৰা আপুনি বাতৰি লিখাৰ বাবে তথ্য লাভ কৰিছে, সেই সকলোবোৰকে বাতৰিৰ উৎস বুলিব পাৰি। এনে উৎসৰ উদাহৰণ হ'ব পাৰে চৰকাৰী নথি-পত্ৰ, প্ৰকাশিত অথবা প্ৰচাৰিত অনুষ্ঠান, চৰকাৰী বিষয়া, ব্যৱসায়ী, অনুস্থান, উদ্যোগ, অপৰাধজনিত ঘটনাৰ সাক্ষী, দুৰ্ঘটনা অথবা অন্যান্য অনুষ্ঠানৰ প্ৰত্যক্ষদৰ্শী অথবা সেই নিৰ্দিষ্ট বাতৰিটোৰ সৈতে জড়িত বা প্ৰভাৱিত যিকোনো ব্যক্তি।

১২.৩ উৎসৰ প্ৰকাৰ

তথ্যৰ উৎসসমূহক প্ৰধানতঃ দুটা ভাগত ভগাব পাৰি-

১। প্ৰাথমিক উৎস (Primary Sources)

২। দ্বিতীয় উৎস (Secondary Sources)

প্ৰাথমিক উৎসসমূহ পোনপটীয়া বিবৃতি য'ত অনুসন্ধান চলাই থকা বাতৰিটোৰ পোনপটীয়া সাক্ষীয়ে বাতৰিটোৰ সৈতে জড়িত পৰিঘটনাটো বৰ্ণনা কৰে। ঘটনাটো চলি থকা অৱস্থাত সৃষ্ট এই উৎসবোৰ কেতিয়াবা ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী, ভুক্তভোগী অথবা সাক্ষীও হ'ব পাৰে। প্ৰাথমিক উৎসই এটা সময়ত চলি থকা ঘটনাটোৰ এটা সুক্ষ্ম অন্তঃ দৃষ্টিকোন এটাৰ বৰ্ণনা কৰে। প্ৰাথমিক উৎসবোৰ হৈছে-

- প্ৰকৃত নথি-পত্ৰ (Original Documents) ঃ ডায়েৰী, চিঠি, ভাষণ, সভাৰ বিৱৰণ, সাক্ষাৎকাৰ, দৃশ্য-শ্ৰব্য ফুটেজ, আত্মজীৱনী, চৰকাৰী ৰেকৰ্ড, জাৰ্নেলৰ প্ৰবন্ধ, বাতৰি কাকতৰ লিখা, চৰকাৰী নথি-পত্ৰ।
- সৃষ্টিশীল কৰ্ম (Creative works) ঃ সংগীত, আলোকচিত্ৰ, চলচিত্ৰ, কবিতা, নাটক, উপন্যাস, স্থাপত্য।
- ৰেলিক্চ/আৰ্টিফেক্টচ ঃ গহনা, অস্ত্ৰ, স্থাপত্য যি সমূহ এটা নিৰ্দিষ্ট সময়ত নিৰ্মাণ কৰা হৈছিল।

কেতিয়াবা বিশ্বাসযোগ্য উৎসৰ পৰা লাভ কৰা তথ্যসমূহ আপত্তিজনক অথবা সন্মানহানিকাৰক হ'ব পাৰে যাৰ ফলত সংবাদদাতাগৰাকী আইনী ব্যৱস্থাৰ আওতালৈও যাব লগা হ'ব পাৰে এনে অৱস্থাত সাংবাদিক জনে যিমান দূৰ সম্ভৱ সাৱধান হোৱা উচিত। আনহাতে প্ৰাথমিক উৎসবোৰে কেতিয়াও কথা ক'ব নোৱাৰে। লিখিত ৰিপৰ্ট এটা যথেষ্ট গৱেষণাৰ ফলতহে লিখা হয়, এনে অৱস্থাত ই সাংবাদিকৰ বাবে বিশ্বাসযোগ্য হৈ উঠে। কেতিয়াবা এটা অপ্ৰকাশিত

ৰিপৰ্ট সাংবাদিকৰ বাবে বাতৰিৰ উৎস হৈ পৰিব পাৰে। এনে অৱস্থাত এই ৰিপৰ্টক (Leaked Documents) বুলি জনা হয়। এনে নথিবোৰ সাধাৰণতে চৰকাৰী বা বেচৰকাৰী প্ৰতিস্থানৰ কোনো ব্যক্তি বিশেষে সাংবাদিকক প্ৰদান কৰে। এনে অৱস্থাত এই নথিবোৰৰ বিশ্বাসযোগ্যতা ভালদৰে পৰীক্ষা কৰি ল'ব লাগে।

দ্বিতীয় পৰ্যায়ৰ উৎসবোৰে আচলতে প্ৰাথমিক উৎসবোৰৰ ঘটনা বা বাতৰিটোৰ এটা বিশ্লেষণ আগবঢ়ায়। এই উৎসবোৰ ব্যৱহাৰ কৰি প্ৰাথমিক উৎসৰ পৰা সংগৃহীত তথ্যবোৰ ব্যাখ্যা কৰিব পৰা যায়। দ্বিতীয় পৰ্যায়ৰ উৎসবোৰ হৈছে বাতৰি, সমালোচনা, পাঠ্যপুথি, বাতৰি বা ঘটনাৰ বিশ্লেষণ, গৱেষণামূলক ৰচনা, অভিজ্ঞসকলৰ ব্যাখ্যা আদি। আন এক ভাষাত ক'ব গ'লে ঘটনা এটাৰ নিজৰ মতামতেৰে একোটা ঘটনাৰ নিজা ব্যাখ্যা আগবঢ়োৱাটো হৈছে দ্বিতীয় পৰ্যায়ৰ উৎস।

কেতিয়াবা একেটা বাতৰি অথবা ঘটনাৰে কেইবাটাও উৎস থাকিব পাৰে। কোনো ক্ষেত্ৰত এই উৎসবোৰৰ তথ্যসমূহ পৰস্পৰ বিদ্বেষী হ'ব পাৰে। উদাহৰণস্বৰূপে কোনো এটা ঘটনাৰ ভুক্তভোগীজনৰ ভাষ্য ঘটনাটো সংঘটিত কৰা ব্যক্তিজনৰ ভাষ্যৰ সৈতে নিমিলিব পাৰে। এনে ক্ষেত্ৰত আৰক্ষী অথবা অভিজ্ঞ ব্যক্তিসকলৰ ভাষ্য বহু পৰিমাণে নিৰাপক্ষ হ'ব বুলি আশা কৰিব পৰা যায়। এজন নিৰপেক্ষ সাংবাদিকৰ বাবে এনে সকলোধৰণৰ উৎসকে চালি জাৰি চাই একোটা নিৰপেক্ষ সংবাদ পৰিৱেশন কৰাটো গুৰুত্বপূৰ্ণ।

বাতৰি কাকতসমূহে বহু সময়ত আন্তঃৰাষ্ট্ৰীয় অথবা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সস্থা (international and natioral wire serutices)ৰ পৰা বাতৰি, ৰচনা, আলোকচিত্ৰ লাভ কৰে। এনে সস্থাবোৰৰ ভিতৰত অন্যতম হৈছে Associated Press (US), Reuters (U.K) Agency Franc Presse (France), Press Trust of India (PTI) অথবা United News of India (UNI) এনে News Agency ৰ বাহিৰেও কেতিয়াবা Feature Syndicates ৰপৰা কিছু তথ্য আনিব পাৰে। এনে তথ্যবোৰ সাধাৰণতে Human Interest, উন্নয়ন, ফেচন বিষয়ক বাতৰি, স্বাস্থ্য, শিশু স্বাস্থ্য, ধৰ্ম, শিক্ষা, ভ্ৰমণ অথবা জীৱন ধাৰণ বিষয়ক হ'ব পাৰে। এই Feature Syndicates' য়ে কার্টুনৰ পৰা আৰম্ভ কৰি গম্ভীৰ বিষয়ৰ ৰচনালৈকে সামৰি লয়।

উৎসবোৰক বেনামী অথবা ভিত্তিহীন (Anonymous) অথবা আনুষ্ঠানিক (Official) এই দুই ভাগতো ভগাব পাৰি। কিছুমান উৎসই এটা গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে যদিও ইয়াৰ পৰা হ'ব পৰা বিপদৰ আশংকা কৰি নিজৰ নাম প্ৰকাশ কৰিবলৈ অনিচ্ছুক হৈ পৰে। ইয়েই হৈছে বেনামী উৎস। ১৯৭০ ৰ 'Watergate Scandal' আছিল এনে এটা বাতৰি য'ত আমি ইয়াৰ বিশ্বাসযোগ্য উৎসৰ কোনো পৰিচয় নাপাও। অৱশ্যে বৰ্তমান সময়ত এনে বেনামী উৎসবোৰৰ গ্ৰহণযোগ্যতাৰ ওপৰত প্ৰশ্ন আহি পৰিয়ে আৰু বহুসংখ্যক সম্পাদক ইয়াক গ্ৰহণ কৰিব খোজা নাই। বহু ক্ষেত্ৰত বেনামী উৎসৰপৰা লাভ কৰা তথ্যসমূহ ব্যক্তিগত পৰ্যায়তো সাংবাদিক এজনে অনুসন্ধান কৰি ইয়াৰ সত্যতা সম্পৰ্কে নিশ্চিত হৈ ল'ব পাৰে। পৰাপক্ষত যেতিয়ালৈকে একোটা

বাতৰিয়ে ইয়াৰ উৎসৰ জীৱনৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ আশংকা নাথাকে, তেতিয়ালৈকে সাংবাদিক গৰাকীয়ে উৎসৰ পৰিচয় লুকুৱাই ৰাখিব নালাগে। প্ৰয়োজন সাপেক্ষে উৎস উহ্য কৰি থ'লেও, সময়ত যাতে বাতৰিটোৰ উৎসৰ পৰিচয় দিব পৰা যায়, তাৰ ব্যৱস্থা কৰি ৰখাটোও সাংবাদিকজনৰ দায়িত্ব। কেতিয়াবা সাংবাদিকে ষ্টিং অভিযানৰ জড়িয়তে নিজৰ পৰিচয় লুকুৱাই ৰাখি অনুসন্ধান কৰি অপৰাধ অথবা স্কেণ্ডেল (Scandal)ৰ তথ্য গোটাব পাৰে। বাতৰিৰ আনুষ্ঠানিক উৎসবোৰ হৈছে য'ত আনুষ্ঠানিকভাৱে সংবাদসেৱীৰ বাবে তথ্যৰ যোগান ধৰা হয়। সংবাদ বিজ্ঞপ্তি, আৰক্ষীৰ ৰিপৰ্ট, চৰকাৰী ঘোষণা আদি হৈছে আনুষ্ঠানিক উৎস (Official Source)ৰ উদাহৰণ।



চিন্তা চৰ্চা কৰক ১২.১

দৈনিক বাতৰিকাকত এখনৰ প্ৰথম পৃষ্ঠাটো পঢ়ক আৰু বেনামী (unnamed) উৎস থকা বাতৰিবোৰ চিন দিয়ক। এনে বাতৰি কিমানটা পালে? এই বাতৰিৰ পৰা ইয়াৰ উৎসবোৰৰ পৰিচয় নিদিয়াটো যুগুত হৈছে বুলি আপুনি ভাবেনে?



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাতৰিৰ উৎস বুলিলে কি বুজে?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ সচাঁ নে মিছা লিখক-

(ক) ঘটনা এটাৰ প্ৰত্যক্ষদৰ্শী এজনৰ ভাষ্য হৈছে প্ৰাথমিক উৎস (সচাঁ/ মিছা)

(খ) এজন জনপ্ৰিয় ৰাজনৈতিক ব্যক্তিৰ আত্মজীৱনীখন হৈছে দ্বিতীয় পৰ্যায়ৰ উৎস (সচাঁ/ মিছা)

(গ) সংবাদ বিজ্ঞপ্তি (Press Release) হৈছে আনুষ্ঠানিক উৎস (Official Soruce) (সচাঁ/ মিছা)

১২.৪ বাতৰিৰ উৎসৰ বিকাশ

জনপ্ৰিয় সাংবাদিক কন্ৰাড ফিংকে এবাৰ কৈছিল, "উৎস হৈছে সাংবাদিকৰ বাইবেল স্বৰূপ' (The Source Book is the Journalist's Bible) বিশ্বাসযোগ্য তথ্য নিদিলে কোনো

এটা বাতৰিয়েই সম্পূৰ্ণ নহয়। আৰু এই তথ্যবোৰ সাংবাদিক এজনে তেওঁৰ বিভিন্ন উৎসৰপৰা লাভ কৰে। উৎসৰ প্ৰসাৰতা যিমানেই বাঢ়িব, বাতৰিটোৰ তথ্যবোৰৰ সংখ্যা সিমানেই বাঢ়িব আৰু বাতৰিটোৰ দৃষ্টিভংগীও তেনেদৰে প্ৰসাৰ হ'ব ।এখন সম্পূৰ্ণ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ গৱেষণামূলক ৰচনাত সদায়েই কেইবাটাও উৎসৰ প্ৰসংগ দিয়া হয়।

প্ৰতি মুহূৰ্ততে সাংবাদিক এগৰাকী সম্ভাব্য ঘটনা এটাৰ উৎসবোৰৰ বিষয়ে সজাগ হৈ থাকিব লাগে। অৱশ্যে সাংবাদিকে নিজা পৰ্যায়তো একাংশ উৎসৰ সৃষ্টি আৰু বিকাশ ঘটাব লাগে যি উৎসৰ ওপৰত তেওঁ সমানে নিৰ্ভৰ কৰিব পাৰে। সাংবাদিক এগৰাকী সূক্ষ্ম নিৰীক্ষক হোৱাৰ সমান্তৰালভাৱে তেওঁ কথা-বতৰাৰ একোটা সুন্দৰ শৈলীৰ অধিকাৰী হোৱাটো বাঞ্ছনীয় যাতে উৎসবোৰে তেওঁক বিশ্বাসত লৈ প্ৰয়োজনীয় তথ্যবোৰ নিসংকোচে প্ৰদান কৰাৰ একোটা পৰিৱেশ গঢ় লৈ উঠে। কোনটো বাতৰিৰ বাবে কাৰ লগত কথা পাতিব লাগে সেয়াইও বাতৰিটোৰ মূল ৰূপটো নিৰূপণ কৰে। শক্তিশালী উৎস বিকাশ কৰাৰ কেইটামান পদ্ধতি হৈছে-

(১) সততেই লৈ থকা সাধাৰণ উৎসৰ বাহিৰেও আন উৎসৰ সন্ধান কৰা। কোনো এক প্ৰতিস্থানৰ মুৰব্বীজনক কথা পতাৰ বাহিৰেও মাজে মাজে প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তেওঁলোকৰো মত গ্ৰহণ কৰা। প্ৰত্যেক দিনাই কোনো বিশেষ বৃত্তিগত ব্যক্তিক উৎস হিচাপে লোৱাতকৈ কেতিয়াবা সাধাৰণ ব্যক্তিৰ পৰাও বাতৰিৰ তথ্য বিচাৰা।

(২) গুৰুত্বপূৰ্ণ তথ্য নিয়ন্ত্ৰণ কৰা ব্যক্তিসমূহৰ সৈতে এটা সুসম্পৰ্ক বৰ্তাই ৰাখি এই বিষয়ে এটা সম্পূৰ্ণ ধাৰণা বুজি লোৱাটো।

(৩) নিজে কাম কৰি থকা বিভিন্ন ক্ষেত্ৰৰ অভিজ্ঞ ব্যক্তি বিচাৰি উলিওৱা যাতে সাংবাদিকগৰাকীৰ বাতৰিটো একোটা বিশ্লেষণাত্মক ৰূপ পায়। জ্ঞানী আৰু অভিজ্ঞ মানুহৰ পৰা বাতৰিৰ বিষয়ে মন্তব্য লোৱাটোৱে বাতৰিটোক সমৃদ্ধ কৰি তোলে।

(৪) তথ্য বিচৰাৰ এটা প্ৰাথমিক পদ্ধতি হ'ব পাৰে প্ৰতিষ্ঠান এটাৰ ৱেবচাইট। কিয়নো এই ৱেবচাইটতে প্ৰতিষ্ঠানটোৰ পৰিচালক আৰু গুৰুত্বপূৰ্ণ ব্যক্তিসকলৰ নাম, বিষয়বাব আৰু ই-মেইল ঠিকনাও দিয়া থাকে।

(৫) নিজৰ বাতৰিটোত সকলো পক্ষৰ মত থকাটো খুবেই প্ৰয়োজনীয়। বাতৰিটোৰ উৎসৰ বিভিন্নতাই বাতৰিটোৰ নিৰাপক্ষতা আৰু গ্ৰহণযোগ্যতা বৃদ্ধি কৰে।

১২.৫ নীতিগত দিশ আৰু আৰোপিত বৈশিষ্ট্য (Ethics and Attribution)

বাতৰি এটাৰ উৎসসমূহ লগত থকা সম্পৰ্কৰ ক্ষেত্ৰত সাংবাদিক এজনে কিছু নীতিগত আদৰ্শ মানি চলাটো প্ৰয়োজনীয়। সাংবাদিক হিচাপে তেওঁৰ বাতৰিত নিৰপেক্ষতা, বিশ্বাসযোগ্যতা, আৰু অখণ্ডতা থকাটো বাঞ্ছনীয়। এই ক্ষেত্ৰত সাংবাদিকতাৰ উৎসৰ সৈতে এটা নৈতিক, বৃত্তিগত

সম্পর্ক বর্তাই ৰখাটো প্রয়োজনীয়।

বাতৰিৰ উৎসৰ সৈতে থকা বিশ্বাসটো এটা গুৰুত্বপূর্ণ বিষয়। যদি সাংবাদিক এজনে উৎসৰ নাম প্রকাশ নকৰা বুলি কথা দিয়ে, তেন্তে কোনো পৰিস্থিতিত তেওঁ নাম প্রকাশ কৰিব নালাগে। আনহাতে নাম প্রকাশৰ ক্ষেত্রত সাংবাদিকজন সম্পূর্ণ নিশ্চিত হৈ নোলোৱাকৈ উৎসৰ নাম প্রকাশ নকৰে বুলি কথা দিব নালাগে। উৎসৰ পৰা তথ্য অথবা মন্তব্য গ্রহণ কৰাৰ সময়ত বাতৰিটোৰ সম্পূর্ণ ধাৰণা এটা উৎসক দিয়াটো বাঞ্চনীয়। অদৰকাৰী আৰু বাতৰিৰ সৈতে কোনো সম্পর্ক নথকা কোনো প্রশ্ন অথবা মন্তব্যই উৎসৰ পৰা গ্রহণ কৰিব নালাগে।

উৎস (Attribution) হৈছে যিজন ব্যক্তিৰ পৰা মতামত অথবা কোনো নথি গ্রহণ কৰা হৈছে তেওঁৰ সম্পূর্ণ নাম প্রকাশ কৰাটো। গোপনীয়তাৰ ওপৰত ভিত্তি কৰি উৎস তিনিটা পর্যায় আমি পাব পাৰো।

- উৎস প্রকাশকাৰী পর্যায় ঃ ইয়াৰ অর্থ হৈছে সাংবাদিক এজনে উৎসৰ নাম আৰু মন্তব্য দুইটা প্রকাশ কৰিব পাৰে। ই সাংবাদিকতাৰ নৈতিকতাক প্রতিফলন সদায়। এনে ক্ষেত্রত ব্যক্তিজনাৰ মন্তব্যক প্রত্যক্ষৰূপত প্রকাশ কৰিলে বাতৰিটোৰ বিশ্বাসযোগ্যতা বৃদ্ধি পায়।
- উৎস যোগান ধৰোঁতোৰ নাম গোপনকাৰী পর্যায় ঃ ইয়াৰ অর্থ হৈছে সাংবাদিকজনে উৎসৰ পৰা লাভ কৰা তথ্য অথবা মন্তব্য প্রকাশ কৰিব পাৰে, কিন্তু তেওঁৰ নাম প্রকাশ কৰিব নোৱাৰে। ব্যক্তি এগৰাকীয়ে তেওঁৰ নাম প্রকাশত অনিচ্ছুক কেইবাটাও কাৰণত হ'ব পাৰে- তেওঁলোকক হয়টো, আনুষ্ঠানিকভাৱে এই তথ্য প্রদান কৰাত বাধা দিয়া হৈছে, কিন্তু তেওঁলোকে ভাৱে এই তথ্যখিনি ৰাজহুৱা হোৱাটো ভাল, অথবা একাংশ ব্যক্তিয়ে সংবাদজগতৰ সৈতে নিজৰ নামটো সাঙুৰি ল'ব নোখোজে।
- উৎস গোপনকাৰী পর্যায় ঃ ইয়াৰ অর্থ হৈছে সাংবাদিকজনে উৎসৰ তথ্য আৰু পৰিচয় একোৱেই প্রকাশ কৰিব নোৱাৰিব। কেতিয়াবা কিছু অতি সংবেদনশীল তথ্যৰ ক্ষেত্রত এনে হ'ব পাৰে। উদাহৰণস্বৰূপে কোনো এজন ব্যক্তিয়ে বোমা বিস্ফোৰণৰ সৈতে জড়িত কিছু একান্তই গোপনীয় খবৰ বিশেষ সূত্রে লাভ কৰিছে, এনে অৱস্থাত তেওঁৰ তথ্য অথবা মন্তব্য কোনোপধ্যেই সংবাদ মাধ্যমত অহাটো নিবিচাৰিব। কিয়নো এক অতি স্পর্শকাতৰ বিষয়।

  যেতিয়াই আমি উৎসৰ কথা কওঁ, উৎস হৈছে আটাইতকৈ গুৰুত্বপূর্ণ নীতি। সাধাৰণতে উদ্ধৃতি কোনো বাতৰিৰ সন্মুখৰ ফালে দিয়া থাকে। যেতিয়াই কোনো বাতৰিত সাংবাদিক এজনে উদ্ধৃতিৰ ব্যৱহাৰ কৰে, তেতিয়াই উদ্ধৃতি প্রদান কৰা ব্যক্তিজনৰ সম্পূর্ণ শুদ্ধ নাম আৰু উদ্ধৃতিৰ সম্পূর্ণ শুদ্ধ প্রয়োগ কৰাটো বাঞ্চনীয়। অৱশ্যে ৰাজহুৱা কোনো তথ্যৰ

ক্ষেত্রত উৎস দিয়াটো ইমান প্রয়োজনীয় নহয় কিয়নো এনে ক্ষেত্রত আন যিকোনো উৎসৰপৰা তথ্যসমূহ পৰীক্ষা কৰিব পৰা যায়। উদাহৰণস্বৰূপে "ঢাকা বাংলাদেশৰ ৰাজধানী", বিদেশ মন্ত্রীয়ে জনায় বুলি উৎস দিয়াৰ কোনো প্রয়োজন নাই কিয়নো এই কথা সকলোৱে জানে। কেতিয়াবা আকৌ উৎসৰ উদ্ধৃতিবহু পৰিমাণে পক্ষপাতিত্বমূলক হোৱা দেখা যায়। এনে ক্ষেত্রত উৎসৰ সম্পূর্ণ নাম আৰু পৰিচয় দিয়াটো খুবেই প্রয়োজনীয়। উদ্ধৃতি অথবা মন্তব্য ব্যৱহাৰ কৰাৰ ক্ষেত্রত কেৱল এটা বা দুটা গুৰুত্বপূর্ণ অথচ সংবেদনশীল বাক্য দি থ'ব নালাগে। বক্তাই কেনে পৰিৱেশত কোনটো বিষয়ৰ সংগতি ৰাখি কোনো মন্তব্য প্রকাশ কৰিছে। সেয়া স্পষ্ট হ'ব লাগে।

কেতিয়াবা কোনো উদ্ধৃতিকাৰীয়ে নিজৰ নাম-পৰিচয় প্রকাশৰ অনিচ্ছুক হ'ব পাৰে। বিশেষকৈ অনুসন্ধানস্ফল (investigative) বাতৰিৰ ক্ষেত্রত এনে হোৱাৰ পূর্ণ সম্ভাৱনা থকা দেখা যায়। সাধাৰণতে কোনো উৎস (ব্যক্তিয়ে) ই বহুকেইটা কাৰণত নিজৰ পৰিচয় লুকুৱাই ৰখাটো বিচাৰে-

(ক) উৎস (ব্যক্তি)ৰ পৰিচয় ৰাজহুৱা কৰিলে, কেতিয়াবা তেওঁলোকৰ জীৱনৰ প্রতি ভাবুকি অহাৰ আশংকা থাকে।

(খ) যদি গোপনীয় সূত্র (উৎস)ৰ পৰিচয় গোপন হৈ নাথাকে তেতিয়া আন উৎসই তথ্য প্রকাশ কৰিবলৈ অনীহা প্রকাশ কৰে।

(গ) গোপনীয়তা (উৎসৰ) ফাদিল কৰাতো সাংবাদিকতাৰ নীতি-আদর্শৰ পৰিপন্থী।

তলত উৎস বিৱৰণ দিয়াৰ বিষয়ে কিছু নীতি উল্লেখ কৰা হ'ল-

১। বাতৰি এটাত উৎসই তথ্যসমূহৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰে। অৱশ্যে কেইবাটাও পেৰাগ্রাফ থকা বাতৰিত বাতৰিৰ উৎসৰ বাৰম্বাৰ উল্লেখ কৰাৰো কোনো প্রয়োজন নাথাকে।

২। বাতৰি এটাৰ আৰম্ভণিতে যাক ইংৰাজীত (Lead) বুলি কোৱা হয়, বাতৰিৰ উৎসৰ উদ্ধৃতি দিয়াটো প্রয়োজনীয় নহয়।

৩। অৱশ্যে বাতৰি এটাত তথ্যতকৈ উৎস দিয়া ব্যক্তিজনৰ গুৰুত্ব বেছি থাকিলে Leadতো উৎস দিব পাৰি।

৪। কোনো বাতৰিত যেতিয়া উদ্ধৃতি অবিহনেও পাঠকে বাতৰিৰ তথ্যবোৰ বিশ্বাস কৰিব পৰা যেন লাগে তেনে অৱস্থাত উৎসৰ উদ্ধৃতি দিয়াৰ প্রয়োজন নাথাকে।

৫। কোনো ঘটনা বা অনুষ্ঠানত সাংবাদিকজন নিজেই উপস্থিত থাকিলেও উদ্ধৃতি দিয়াৰ প্রয়োজন নাথাকে।

উ ৎস দিয়াৰ ক্ষেত্রত ব্যাকৰণৰো কিছু নীতি নিয়ম মানি চলাটো প্রয়োজনীয় যেনে-

১। উদ্ধৃতি দিয়াৰ ক্ষেত্ৰত যথোপযুক্ত স্থানত ক'মা ব্যৱহাৰ কৰাটো বাধ্যতামূলক।

যেনে- "মই তেওঁক সকলোৰে সৈতে একেলগে আগবাঢ়ি যাবলৈ কৰা প্ৰয়াসক অভিনন্দন জনাইছো", তেওঁ ক'লে।

মেয়ৰ জনে কৈছিল , "উত্তৰ পূবৰ মানুহৰ সংযুক্ত কণ্ঠই জয়লাভ কৰিলে।"

২। কলন (ঃ) ৰ ব্যৱহাৰেও উদ্ধৃতিক মান্যতা দিয়ে তথা- ৰমেনে কৈছিলঃ 'আমি খেলখনত আজি জিকিম।'

৩। কেইবাটাও বাক্য থকা উৎসৰ ক্ষেত্ৰত উৎস ব্যক্তিৰ পৰিচয় প্ৰথম বাক্যটোৰ পাছত দিয়াতো ভাল।

"এই কামটোৰ বাবে আমি সকলো আগবাঢ়ি অহাতোত মই অতিশয় আনন্দিত," তেওঁ কৈছিল। "যদি চৰকাৰে এই আইনখন আনে, তেন্তে চৰকাৰৰ বিৰুদ্ধে এক প্ৰবল আন্দোলন গঠন হ'ব।"

৪। যদি উৎসৰ লগত প্ৰশ্নবোধন চিন থাকে সি উৰ্দ্ধক'মাৰ ভিতৰতে থাকিব। যথা-

"তুমি অভেনৰ উষ্ণতা জুখিলানে?", তাই সুধিছিল।

সাংবাদিকতাৰ ক্ষেত্ৰত বহুকেইটা নীতিগত দিশ আছে। এজন সাংবাদিকে সদায় শুদ্ধ আৰু অশুদ্ধৰ মাজত পাৰ্থক্য বিচাৰিব জানিব লাগিব। মিছা তথ্যৰ প্ৰচাৰ অথবা তথ্যৰ উপযুক্ত উৎস নিদিলে কেতিয়াবা বহু বিপৰ্যয় হোৱাৰ আশংকাও থাকে। এনে অৱস্থাত সাংবাদিক এজনে সদায় আত্মনিয়ন্ত্ৰণ আৰু নীতি আদৰ্শৰে পৰিচালিত সংবাদসেৱা কৰাটো নিতান্তই বাঞ্ছনীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ এটা বাতৰি লিখাৰ ক্ষেত্ৰত উৎস (সত্ৰৰ) ৰ ভিন্নতা থকাটো কিয় প্ৰয়োজনীয়?

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ কিছু সফল উৎসৰ বিকাশ ঘটাবলৈ সাংবাদিক এজনৰ কি কি কৌশল থকা উচিত?

.....

.....



১২.৬ আধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উৎস (সূত্ৰ)ৰ এখন তালিকাৰ ব্যৱস্থা আৰু বিকাশ কৰাটো সাংবাদিকতাৰ প্ৰাথমিক কাম।
- উৎস (সূত্ৰ) সাধাৰণতে প্ৰাথমিক আৰু দ্বিতীয় এই দুই ধৰণৰ হয়। ই অনুষ্ঠানিক আৰু অনানুষ্ঠানিকো হ'ব পাৰে।
- এটা গৱেষণালব্ধ বাতৰিত কেইবাটাও সূত্ৰ (উৎস)ৰ সহায়ত এটা সম্পূৰ্ণ ছবি দিয়াৰ চেষ্টা কৰা হয়।
- বাতৰিৰ প্ৰতি তীব্ৰ নিৰীক্ষণ শক্তি থকাৰ বাহিৰেও সাংবাদিক এজনে নিজাববীয়াকৈ কিছু উৎস বিকাশ কৰাটো অতিকে প্ৰয়োজনীয়।
- উৎস অথবা সূত্ৰৰ সৈতে থকা বিশ্বাসেই হৈছে সাংবাদিক আৰু সূত্ৰৰ মাজৰ সম্পৰ্কৰ স্থায়ীত্বৰ মূল আধাৰ।
- সূত্ৰৰ ক্ষেত্ৰত উৎসৰ ব্যৱহাৰ কৰাটো খুবেই দৰকাৰী কথা। এই ক্ষেত্ৰত উৎসৰ শুদ্ধ নাম আৰু পৰিচয় প্ৰদান কৰাটো অতি প্ৰয়োজনীয়।



১২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Chakravarty, Suhan, Pant, N.C (2009). *News Reporting Presentation and Style*. New Delhi: Kanishka Publishers, Distributors.
2. Hough, George H. (2006). *News Writing*. New Delhi: Kanishka Publishers, Distributors.
3. Raman, Usha (2009) *Writing for the Media.* Oxford University Press.
4. Tripathy, Manoganjan (2007). *Introduction to News Reporting*. New Delhi: Authors Press.



১২.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ব্যক্তি বা অনুষ্ঠান যি তথ্য, মন্তব্য, মতামত অথবা কোনো নথি-পত্ৰ,

আলোক চিত্ৰ এনে সামগ্ৰীৰ যোগানেৰে সাংবাদিক এজনক বাতৰি এটা লিখাৰ ক্ষেত্ৰত সহযোগ কৰে, তাকে বাতৰিৰ উৎস কোলে।

২নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা (গ) সঁচা

৩নং প্ৰশ্নৰ উত্তৰ ঃ বাতৰি এটাত অসংখ্য উৎস থকাটো বাঞ্ছনীয় কিয়নো উৎসৰ ভিন্নতাই বাতৰিটোৰ তথ্য আৰু দৃষ্টিকোণৰ পৰিসৰ বৃদ্ধি কৰে। উৎস বেছি হ'লে গৱেষণা লব্ধ বাতৰি এটাই সম্পূৰ্ণ প্ৰতিচ্ছবি এটা দাঙি ধৰাত সহায় হয়। ই বাতৰি এটাৰ নিৰাপক্ষতাও বৃদ্ধি কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সুক্ষ্ম নিৰীক্ষণ শক্তি থকাৰ বাহিৰেও সাংবাদিক জনৰ গণসংযোগ কৌশল ভাল হ'ব লাগিব। সূত্ৰ অথবা উৎসৰ সৈতে বিশ্বাসযোগ্য সম্পৰ্ক এটা গঢ় ল'ব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ডিজিটেল বিজ্ঞাপনে অন্য বিজ্ঞাপনৰ মাধ্যমবোৰৰ তুলনাত দ্ৰুতগতিত জনপ্ৰিয়তা লাভৰ কাৰণ কি?



১২.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন নং ১ ঃ প্ৰাথমিক আৰু দ্বিতীয় উৎসৰ পাৰ্থক্য কি?

প্ৰশ্ন নং ২ ঃ Embargo মানে কি?

প্ৰশ্ন নং ৩ ঃ উদ্ধৃতিৰ বিভিন্ন পৰ্যায় কি কি?

(খ) চুটি প্ৰশ্ন (প্ৰতিটো উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন নং ১ ঃ বাতৰি উৎসৰ শুদ্ধতাৰ প্ৰয়োজন কি?

প্ৰশ্ন নং ২ ঃ "বাতৰি এটাৰ নৈতিকতাৰ ক্ষেত্ৰত উৎসৰ উল্লেখ কৰাতো এটা অতি গুৰুত্বপূৰ্ণ বিষয়"- আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন নং ১ ঃ বিভিন্ন প্ৰকাৰৰ বাতৰিৰ উৎসসমূহ কি কি? উদাহৰণসহ বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ এজন সাংবাদিকে কেনেদৰে শক্তিশালী উৎসৰ বিকাশ ঘটাব পাৰে? বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ সমীক্ষা লেখন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ গ্ৰন্থ সমীক্ষাৰ কলা-কৌশল
১৩.৪ চলচ্চিত্ৰ সমীক্ষাৰ কলা
১৩.৫ নাট্য সমীক্ষাৰ কলা
১৩.৬ সঙ্গীত সমীক্ষাৰ কলা
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্ৰগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্ৰন্থ, চলচ্চিত্ৰ, নাটক আৰু সঙ্গীত আদিৰ মূল্যায়নৰ ক্ষেত্ৰত একোটা যুক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ দৃষ্টিভঙ্গী বিকশিত কৰিব পাৰিব
- এইদৰে বিকশিত হোৱা দৃষ্টিভঙ্গীৰ সহায়ত আপুনি গ্ৰন্থ, চলচ্চিত্ৰ, নাটক অথবা সঙ্গীতৰ সমীক্ষা কৰিব পাৰিব
- এটা সুলেখনীত কোনবোৰ বৈশিষ্ট্যৰ প্ৰয়োজন আৰু কিহৰ প্ৰয়োজন নহয় সেই কথাও জানিব পাৰিব

১৩.২ পৰিচয়

স্নাতকোত্তৰ AEC পাঠ্যক্ৰমৰ এইটো ত্ৰয়োদশ অধ্যায়। ইয়াত সমীক্ষাৰ কৌশল আলোচিত কৰা হৈছে।

'সমীক্ষা' শব্দৰ সাধাৰণ অৰ্থ হৈছে পৰ্যালোচনা (Review)। এখন গ্ৰন্থ, নাটক অথবা কাব্য অথবা উপন্যাস যিয়েই নহওক, পঢ়ি চাই তাৰ এক বিচাৰ নাইবা মূল্যায়ন কৰি অভিমত প্ৰদান কৰাটোৱে হৈছে সমীক্ষা।

গ্ৰন্থ এখন সমীক্ষা কৰোতে সাধাৰণতে সমীক্ষকে—

- প্ৰথমে গ্ৰন্থখন কি বিষয়ৰ আৰু গ্ৰন্থকাৰ কোন সেই বিষয়ে পাঠকক পৰিচয় কৰাই দিয়ে।
- আলোচ্য গ্ৰন্থত উপস্থাপিত বিষয়বস্তু আৰু তাৰ অধ্যায়, অনুক্ৰম আদিৰ সাৰাংশ আৰু